# অসম আদিত্য

২১ পুহ, ১৯৪৬ শক ■ সোমবাৰ, ৬ জানুৱাৰী, ২০২৫ ■ Asom Aditya, Dibrugarh, Monday, January 6, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী


সমিতিৰ সভাপতি দিব্য সোনোৱালে সভাপতিত্ব কৰা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে জিলা সম্পাদক আদিত্য কুমাৰ সোনোৱালে। আদৰণী ভাষণ আগবঢ়াই স্থানীয় আহ্বায়ক হিৰণ্য সোনোৱালে। সোনোৱাল কছাৰী সাহিত্য সভাৰ লক্ষ্য, উদ্দেশ্য আৰু সাংগঠনিক দিশৰ ওপৰত ব্যাখ্যা দাঙি ধৰি বক্তব্য প্ৰদান কৰে ক্ৰমে— সোনোৱাল কছাৰী সাহিত্য সভাৰ অন্যতম সম্পাদক তথা প্ৰকাশন সচিব দিগন্ত হাজৰিকা, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য যতীন্দ্ৰনাথ সোনোৱাল, জিলা কাৰ্যনিৰ্বাহক হেমেন্দ্ৰ কুমাৰ শইকীয়া, সমাজকৰ্মী ৰাকেশ সোনোৱাল, বন্দনা সোনোৱাল, যজমান সোনোৱাল আৰু জ্যোতিষ শইকীয়াই। ইয়াৰ পিছতে যথেষ্ট সংখ্যক সোনোৱাল কছাৰী সম্প্ৰদায়ৰ সাহিত্যানুৰাগী ব্যক্তি উপস্থিত থকা এই সভাত সৰ্বসন্মতি ক্ৰমে—হেমেন্দ্ৰ কুমাৰ শইকীয়াক সভাপতি আৰু বন্দনা সোনোৱালক সম্পাদক হিচাপে লৈ এখন শক্তিশালী সোনোৱাল কছাৰী সাহিত্য সভাৰ টেঙাখাত শাখা সমিতি গঠন কৰা হয়। শেষত সভাপতিৰ মন্তব্য আৰু ৰাকেশ সোনোৱালে শলাগৰ শৰাই আগবঢ়ায়।

## জিলা মইনা পাৰিজাতৰ বাৰ্ষিক আলোচনী 'ফুলকলি' উন্মোচন



**ষ্টাফ ৰিপৰ্টাৰ, ৫ জানুৱাৰী ঃ** ডিব্ৰুগড় জিলা মইনা পাৰিজাতৰ বাৰ্ষিক আলোচনী 'ফুলকলি' আজি বিয়লি উন্মোচন কৰে কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা বিশিষ্ট লেখক ড০ শশীকান্ত শইকীয়াই। এই উপলক্ষ্যে কানৈ কলেজৰ শংকৰদেৱ প্ৰেক্ষাগৃহত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত অৰুণ বৰপাত্ৰগোহাঁইৰ দ্বাৰা সম্পাদিত বাৰ্ষিক আলোচনীখনি উন্মোচন কৰি দিয়া ভাষণত ড০ শইকীয়াই এই গ্ৰন্থখনিয়ে শিশুৰ বৌদ্ধিক বিকাশত বিশেষভাৱে সহায় কৰাৰ লগতে প্ৰতিভা বিকশিত কৰাৰ সুযোগ লাভ কৰিব বুলি মন্তব্য কৰে। প্ৰসংগক্ৰমে ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত পুথি অধ্যয়নৰ এক সু-পৰিৱেশ থকাৰ বিপৰীতে অসমত ই অতি নিম্নমানৰ বুলি তেওঁ ভাষণত উল্লেখ কৰে আৰু এয়া অসমীয়া জাতি ধ্বংসৰ এক আগজাননী বুলিও দোহাৰে। ডিব্ৰুগড়ৰ জ্যোতি মইনা পাৰিজাতৰ মইনা সুমন দাসৰ সভাপতিত্বত অনুষ্ঠিত উক্ত সভাখনিত উপস্থিত থাকি নিৰ্দিষ্ট বক্তা হিচাপে ভাষণ দিয়ে চাবুৱা জোনবাই মইনা পাৰিজাতৰ মইনা ভাস্বতী তামুলীয়ে আৰু মইনাৰ মৌ মাতত নাহৰকটীয়াৰ সমন্বয় মইনা পাৰিজাতৰ মইনা অয়ন অগ্ৰিম দাসে শিশুৰ বিভিন্ন অসুবিধা সম্পৰ্কীয় আৰু সমাজত পাৰিজাত অনুষ্ঠানৰ প্ৰয়োজনৰ সম্পৰ্কত বক্তব্য আগবঢ়ায়। চাবুৱাৰ শিশুপ্ৰেমী দীপালি গগৈৰ বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱা সভাত অতিথি হিচাপে উপস্থিত থাকি শিশু আৰু সমাজৰ স'তে জৰিত বিভিন্ন দিশ সামৰি বক্তব্য আগবঢ়ায় সদৌ অসম মইনা পাৰিজাতৰ সাংগঠনিক সম্পাদক অমৃত ফুকন, সহকাৰী সম্পাদক সৌৰভজ্যোতি দেৱগোস্বামী, ডিব্ৰুগড় জিলা মইনা পাৰিজাতৰ প্ৰাক্তন সাধাৰণ সম্পাদক ৰতন হাজৰিকা, সদৌ অসম মইনা পাৰিজাতৰ উপাধিপ্ৰাপ্ত 'শিশু ভাস্কৰ' হেমন্ত ৰাজ মৰাণ, 'শিশু বন্ধু' কুলেন দাস, বিশিষ্ট বনগীত শিল্পী লুইত দাস, 'ডায়েট'ৰ অৱসৰী প্ৰৱক্তা ভূপেন দাস আদিয়ে শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। অনুষ্ঠানত 'ফুলকলি'ৰ সম্পাদক অৰুণ বৰপাত্ৰগোহাঁয়ে আলোচনীখনৰ জন্ম বৃত্তান্ত সম্পৰ্কত নিজৰ অনুভৱ ব্যক্ত কৰে। অনুষ্ঠানত কেইবাখনো শাখা মইনা পাৰিজাতৰ মইনাই বিভিন্ন অনুষ্ঠান পৰিৱেশন কৰে। অনুষ্ঠানত প্ৰাক্তন মইনা কুঁৱলী বড়াৰ পৰিচালনাত প্ৰাক্তন মইনা আৰু বিষয়ববীয়াৰ মাজত এক অন্তৰংগ আলাপ অনুষ্ঠানো সম্পন্ন হয়। ডিব্ৰুগড় জিলা মইনা পাৰিজাতৰ সাধাৰণ সম্পাদক মামণি শৰ্মাই আঁত ধৰা অনুষ্ঠানত জিলাখনৰ কুৰিৰো অধিক লোকে মইনা পাৰিজাতৰ আজীৱন সভ্যৰ পদগ্ৰহণ কৰে। অনুষ্ঠানত জিলাখনৰ বিভিন্ন প্ৰান্তৰ আঞ্চলিক আৰু শাখা পাৰিজাতৰ বিষয়ববীয়াসকল উপস্থিত থাকে।





শংকৰদেৱ সংঘৰ ডিব্ৰুগড় শাখাৰ ৫২ স

## অষ্টাদশ ড° ভবেন্দ্ৰ

## অভিনেত্ৰী ভ

**জয়ন্ত ভূঞা, দুলীয়াজান, ৫ জানুৱাৰী ঃ** বিশিষ্ট অভিনেত্ৰী, নাট পৰিচালিকা ভাগিৰথী বাই কাদমলৈ এইবছৰৰ পথাৰ প্ৰদীপ্ত বঁটা আগবঢ়োৱা হৈছে। অসমৰ আগশাৰী নাট্য সংগঠন সামাজিক, সাংস্কৃতিক কৰ্ষণভূমি 'পথাৰ'-এ অহা ৮ৰ পৰা ১১ জানুৱাৰীলৈকে আয়োজন কৰা অষ্টাদশ ড০ ভবেন্দ্ৰ নাথ শইকীয়া সোঁৱৰণী পথাৰ ৰাষ্ট্ৰীয় নাট সমাৰোহত ভাগিৰথী বাই কাদমক এই বঁটা প্ৰদান কৰা হ'ব। উল্লেখ্য যে স্বনামধন্য

## ভিকেভিত 'প্ৰ

